## এক মিনিটৰ গল্প

অশান্ত সময়। চৌদিশে শংকা, সংশয়। পাঁচবছৰীয়া পুতেকটো স্কুলৰ পৰা ঘূৰি নহালৈ সেয়েহে তাইৰ বুকুখন ধপ্‌ধপাই থাকে। সিদিনা স্কুলৰ পৰা আহি সি চিধাই পঢ়া টেবুলত। কিনো কৰিছে বুলি তাই তাৰ কাষ চাপি গ'ল। কিবা আঁকি থকা পুতেকক চুলিকোছাত হাত ফুৰাই দিলে। নিষ্পাপ মুখখনলৈ চাই সুধিলে—'কিনো কৰিছা হাত-ভৰি নুধুৱাকে?'

# বিষবাষ্প

❑ জিতুমণি পাঠক

'বন্দুক আঁকিছো। এই বন্দুকৰে মই, ৰিকি আৰু অংকুৰে মিলি মুছলমানবোৰক মাৰিম।' কথাখিনি শুনাৰ লগে লগে তাইৰ হাতখন কোঁচ খাই গ'ল। বুকুৰ কোনোবাখিনি মোচৰ খাই উঠিল। কি হিন্দু, কি মুছলিম একো বুজি নোপোৱা ইহঁতবোৰৰ মাজতো তাৰ মানে কোনোবাই বিষাক্ত বতাহ সুমুৱাই দিলে। এই নিষ্পাপ দেৱশিশুটোৱে নিজেই নাজানে সি কাক মাৰিব খুজিছে। তাই ফাৰহানে আঁকি থকা ছবিখন তাৰ হাতৰ পৰা টান মাৰি আনি লাড়ু কৰি প্ৰচণ্ড ক্ষোভেৰে খিৰিকীৰে বাহিৰলৈ দলিয়াই দিলে। সি থতমত খাই গ'ল। মাকৰ বাৰু কি হ'ল! একো এটা বুজি নোপোৱা ফাৰহানে আচৰিত হৈ মাক নাজিয়ালৈ চাই ৰ'ল।

(২)

বজাৰখনৰ পৰা দৌৰি দৌৰি গাঁৱৰ মুখ পাওঁতেই জুম পাতি থকা গাঁৱৰ মানুহবোৰে হিমেনক আঁকোৱালি ধৰিলে। কম ডাঙৰ কাম কৰি সি অহা নাই। সেই মুছলমান লোকে ভৰি থকা বজাৰখনত গৈ সি এটা মুছলমান ল'ৰাৰ মূৰ ফালি থৈ আহিছিঁগৈ কম সাহৰ কথা নেকি। কি ভাবিছে সিহঁতে আমাক। মানুহবোৰে উৎসাহিত হৈ তাৰ প্ৰশস্তি গাব আৰম্ভ কৰিছে যদিও হিমেনৰ কিন্তু মূৰত কিছু সময়ৰ আগতে ঘটা ঘটনাবোৰে পাকঘূৰণি খাই আছে। বজাৰৰ পৰা আহি আছিল সি। এনেতে শুনে জাৰণিৰ ভিতৰফালে কাৰোবাৰ প্ৰচণ্ড আটাহ। সি গৈ দেখে হামিদ খুৰাকৰ কিশোৰী জীয়েকজনীক দুটা বৰ্বৰে ধৰ্ষণৰ চেষ্টা কৰিছে। সি লম্পট দুটাক চিনি পালে। এটা ৰফিক আৰু আনটো হিমেনহঁতৰ গাঁৱৰে জিলা পৰিষদৰ সভাপতি ভবেন বৰুৱাৰ পুতেক কমল। হিতাহিত জ্ঞান হেৰুৱা হিমেনে গছৰ ডাল এডালেৰে তাতে কমলক ধৰাশায়ী কৰিলে। তাৰ ৰুদ্ৰ ৰূপ দেখি ৰফিক বজাৰৰ ফালে লৰ মাৰিছিল। কিন্তু সি তাক খেদি খেদি গৈ বজাৰৰ মাজতে...

এতিয়া গাঁৱৰ মানুহবোৰে যেতিয়া গম পাব যে সি অকল ৰফিককে নহয় কমলকো একে অৱস্থা কৰি আহিছে তেতিয়া বাৰু তাক এই মানুহবোৰে কোলাত ল'ব নে বোকালৈ দলিয়াই দিব!

*ফোন : ৯৮৫৪০-১৮১১৭*